# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-10-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## **HEADLINES**

১। ভাৰতে নেফিথ্ৰ'মাইচিন নামৰ এবিধ থলুৱা এণ্টিবায়'টিক বিকশাই তুলিছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

২। ভাৰতীয় ৰে'লৱেই ৰে'লৱেৰ কাম-কাজ সংক্ৰান্তীয় বিভ্ৰান্তিকৰ ভি ডি অ' শ্বেয়াৰ কৰা সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। জনসাধাৰণে উৎসৱৰ বতৰত দেশৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাষ্ট্ৰীয় এক্সপ্ৰেছ ৱে'ত এবছৰৰ বাবে ভ্ৰমণ কৰাৰ সুবিধা হোৱাকৈ ফাষ্টটেগ বাৰ্ষিক পাছ  উপহাৰ দিব পাৰে।

৪। দীপাৱলী উৎসৱক কেন্দ্ৰ কৰি দিল্লীত আৰক্ষীয়ে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া  ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি পাৰ্থত অনুষ্ঠিত হ'ব।

ooooo

ভাৰতে নেফিথ্ৰ'মাইচিন নামৰ এবিধ থলুৱা এণ্টিবায়'টিক বিকশাই তুলিছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এখন চিকিৎসা কৰ্মশালা মুকলি কৰি ড° সিঙে কয়, যে এই এণ্টিবায়'টিকবিধ প্ৰতিৰোধী শ্বাস-প্ৰশ্বাসজনিত সংক্ৰমণ বিশেষকৈ, কৰ্কট ৰোগী আৰু অনিয়ন্ত্ৰিত মধুমেহ ৰোগীৰ ক্ষেত্ৰত অতিকে ফলপ্ৰসূ। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশে বৈজ্ঞানিক আৰু গৱেষণাৰ বিকাশৰ বাবে আত্ম-নিৰ্ভৰশীল হ'ব লাগিব। কৃত্ৰিম বুদ্ধিমত্তা আধাৰিত হাইব্ৰিড ভ্ৰাম্যমান চিকিৎসালয়সমূহে গ্ৰাম্য আৰু দূৰণিবটীয়া সেৱা প্ৰদান কৰি সকলোৰে বাবে গুণগত স্বাস্থ্য সুনিশ্চিত কৰা বুলি ড° সিঙে মন্তব্য কৰে। তেওঁ কয়, যে উদ্ভাৱন, সমন্বয় আৰু কৰুণাৰ সংমিশ্ৰণে দেশক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ যাত্ৰাক নতুন মাত্ৰা প্ৰদান কৰিব।

ooooo

ভাৰতীয় ৰে'লৱেই ৰে'লৱেৰ কাম-কাজ সম্পৰ্কীয় বিভ্ৰান্তিকৰ ভি ডি অ' শ্বেয়াৰ কৰা ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰে'ল মন্ত্ৰালয়ে এটা বিবৃতিযোগে কয়, যে এইবেলি উৎসৱৰ বতৰত ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে পুৰণি অথবা বিভ্ৰান্তিকৰ ভি ডি অ' প্ৰচাৰ কৰা আৰু এনে ভিডিঅ'ৰ ফলত যাত্ৰীসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হোৱা দেখা গৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, যাত্ৰীৰ মাজত অনাৱশ্যকীয় ভয়ৰ সৃষ্টি কৰা পুৰণি অথবা বিভ্ৰান্তিকৰ ভি ডি অ' প্ৰচাৰ কৰাৰ বাবে জগৰীয়া ২০ টা ছ'চিয়েল হেণ্ডেল

চিনাক্ত কৰা হৈছে। মন্ত্ৰালয়ে কয়, যে ৰে'লৰে প্ৰশাসনে এই ছ'ছিয়েল মিডিয়া ব্যৱহাৰীসকলৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু সমাজ বিৰোধী কাৰ্য-কলাপৰ ওপৰত নজৰ ৰখাৰ বাবে এটা অহৰ্নিশে খোলা থকা ছ'ছিয়েল মিডিয়া নিৰীক্ষণ ব্যৱস্থা গঢ়ি তুলিছে। মন্ত্ৰালয়ে সকলো ছ'ছিয়েল মিডিয়া ব্যৱহাৰকাৰীক সত্যাসত্য নিৰূপণ নকৰাকৈ ৰে'ল ষ্টেচনত হোৱা ভীৰৰ  অথবা অন্য ঘটনাৰ ভিডিঅ' শ্বেয়াৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। মন্ত্ৰালয়ে লগতে যাত্ৰীসকলক ৰে'ল বিভাগৰ আনুষ্ঠানিক জাননী আৰু ৰে'ল মন্ত্ৰালয়ৰ ছ'ছিয়েল মিডিয়া হেণ্ডেলৰ ওপৰত ভৰসা কৰিবলৈ অনুৰোধ জনাইছে।

ooooo

দেশৰ জনসাধাৰণে এই উৎসৱৰ বতৰত দেশৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰাষ্ট্ৰীয় এক্সপ্ৰেছ ৱে'ত নিজৰ পৰিয়াল তথা বন্ধুবৰ্গক কোনো ধৰণৰ অসুবিধা নোহোৱাকৈ এবছৰৰ বাবে ভ্ৰমণ কৰাৰ সুবিধা হোৱাকৈ ফাষ্টটেগ বাৰ্ষিক পাছ উপহাৰ দিব পাৰে। ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষৰ ৰাজমাৰ্গ যাত্ৰা মোবাইল এপ্লিকেচনৰ জৰিয়তে ব্যক্তিগত বাহনসমূহৰ বাবে এই উপহাৰ প্ৰদান কৰিব পাৰে। গুগল প্লে ষ্ট'ৰৰ জৰিয়তে এই এপটো ডাউনলোড কৰিব পাৰে। জনসাধাৰণে নিজৰ আত্মীয়সকললৈ এই পাছ উপহাৰ হিচাপে দিবৰ বাবে মোবাইল এপ্লিকেচনৰ **এড পাছত** ক্লিক কৰি বাহনখনৰ সৰিশেষ তথা নিৰ্দিষ্ট ব্যক্তিগৰাকীৰ সৰিশেষ দাখিল কৰিব লাগিব। মোবাইল ফোনত লাভ কৰা অ' টি পিৰ জৰিয়তে এই পাছটো বাহনখনত সংলগ্ন ফাষ্টটেগত সক্ৰিয় কৰিব পাৰিব। বছৰটোৰ বাবে মাত্ৰ ৩ হাজাৰ টকাত এই পাছৰ সুবিধা গ্ৰহণ কৰিব পাৰে। দেশৰ এহেজাৰ ১৫০টা ট'ল প্লাজাত এই সুবিধা লাভ কৰিব পাৰিব।

ooooo

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী হৰিনি অমৰসূৰ্যাই কালি ভাৰতৰ সৈতে বাণিজ্য, সামুদ্ৰিক সুৰক্ষা আৰু বহনক্ষম জীৱিকাৰ ক্ষেত্ৰত অধিক ঘনিষ্ঠ সহযোগিতাৰ আহ্বান জনোৱাৰ লগতে দুয়োখন দেশৰ মাছমৰীয়াসকলক লৈ উদ্বিগ্নতা প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় ৰাজধানীত ইণ্ডিয়া ফাউণ্ডেচনে আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত ভাষণ দি হৰিনি অমৰসূৰ্যাই কয়, যে শ্ৰীলংকাই ভাৰত মহাসাগৰ আৰু ইয়াৰ বাহিৰতো মুক্ত আৰু সৰ্বাংগীন নীতিত বিশ্বাস কৰে, য'ত সকলোৱে শান্তি আৰু সমৃদ্ধিৰে বাস কৰিব পাৰে। ভাৰত মহাসাগৰৰ নিৰাপত্তা আমাৰ দুয়োখন দেশৰ বাবেই গুৰুত্বপূৰ্ণ বিষয় বুলিও দেশখনৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে শ্ৰীলংকাৰ বন্দৰসমূহক ভাৰতৰ বাণিজ্যৰ দুৱাৰ হিচাপে আৰু অধিক উন্নত কৰিব পৰা যাব। ভাৰতৰ নিকটতম সামুদ্ৰিক প্ৰতিবেশী হোৱাৰ বাবে শ্ৰীলংকাই ভাৰত "বিকশিত ভাৰতৰ" লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত স্বাভাৱিক অংশীদাৰ হ'ব পাৰে।

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত মহাসাগৰৰ জলভাগ আৰু পূব-পশ্চিম জাহাজ পথত অৱস্থিত বন্দৰসমূহ ব্যৱহাৰ কৰি বিশ্বৰ সৈতে ভাৰতৰ ৰপ্তানি আৰু আমদানি বাণিজ্যৰ বাবে স্বাভাৱিক খৰচ-বহনক্ষম কেন্দ্ৰ কৰি তোলাৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছে। তেওঁ কয়, যে ভাৰত শ্ৰীলংকাৰ অৰ্থনৈতিক পুনৰুদ্ধাৰ আৰু উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ অংশীদাৰ। এই

অনুষ্ঠানত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ আৰু কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়েও অংশগ্ৰহণ কৰে। তিনিদিনীয়া আনুষ্ঠানিক ভাৰত ভ্ৰমণলৈ অহা অমৰসুৰিয়াই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰকো সাক্ষাৎ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ মাজৰ ৩৭ বছৰ পুৰণি মুক্ত বাণিজ্য চুক্তিখন উন্নত কৰা, আঞ্চলিক সহযোগিতা বৃদ্ধি আৰু নবীকৰণযোগ্য শক্তিক বিষয়ে গুৰুত্ব আৰোপেৰে শক্তি সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সহযোগিতাৰ সুযোগৰ বিষয়েও উল্লেখ কৰে। তেওঁ লগতে দুয়োখন ৰাষ্ট্ৰৰ মাজত অলপতে বহুমুখী সহযোগিতা সম্পৰ্কে হোৱা আলোচনাৰ বিষয়ে আলোকপাত কৰে। এই আলোচনাই বিকাশ আৰু স্থিতিস্থাপকতা সম্পৰ্কে উভয় দেশৰ গুৰুত্বৰ বিষয়ে প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে।

ooooo

দীপাৱলী উৎসৱক কেন্দ্ৰ কৰি দিল্লীত আৰক্ষীয়ে কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। এটা বিবৃতিত দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰে যে, বৃহৎ জনসমাগম হোৱা আৰু ব্যৱসায়িক বিপণীসমূহ থকা বজাৰ অঞ্চলত নাগৰিকসকলৰ সুবিধাৰ বাবে নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। বিবৃতিটোত লগতে কোৱা হৈছে যে, যান-বাহন আৰক্ষীয়ে বাহনসমূহৰ চলাচলত নিৰীক্ষণ কৰিবলৈ যথেষ্ট সংখ্যক যান-বাহন আৰক্ষীক নিয়োগ কৰিছে। ৰাজধানী মহানগৰখনৰ জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে আইন-শৃংখলা বৰ্তাৰ ৰখাৰ বাবে তহলদাৰী আৰক্ষীৰ ব্যৱস্থা কৰা হৈছে।

ooooo

উত্তৰ প্ৰদেশৰ অযোধ্যাত অনুষ্ঠিত দীপাৱলী উৎসৱৰ দৰে দিল্লীত প্ৰথমবাৰৰ বাবে ব্যাপক ৰূপত এই উৎসৱৰ আয়োজন কৰা হৈছে। কালি কৰ্তব্যপথত আয়োজিত এই দীপাৱলী উৎসৱৰ মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই কয়, যে দীপাৱলী কেৱল মাত্ৰ পোহৰৰ উৎসৱেই নহয়, বৰং ই এটা নতুন দিশৰো বাৰ্তা বহন কৰে। তেওঁ কয়, যে দিল্লীৱাসী বিশ্বাস আৰু আধুনিকতাৰ সমন্বয়ত সুন্দৰকৈ আয়োজন কৰা এই দীপাৱলী উৎসৱৰ সাক্ষী হ'ব। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই উৎসৱত কালি কমেও ১ লাখ ৫০ হাজাৰ চাকি জ্বলোৱা হয় আৰু প্ৰায় এহেজাৰটা ড্ৰোনৰ সহায়ত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে ৰামায়ণৰ কাহিনী পুনৰ নিৰ্মাণ প্ৰদৰ্শন কৰা হয়।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৫ জনীয়া প্ৰাৰ্থীৰ দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে। দলটোৱে নৰকটিয়াগঞ্জৰ আসনৰ পৰা শ্বাস্বত কেদাৰ পাণ্ডেক আৰু কিষাণগঞ্জৰ পৰা কামৰুল হুদাক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। কাছবা সমষ্টিৰ পৰা ইৰফান আলমে, পূৰ্ণিয়া সমষ্টিৰ পৰা জিতেন্দৰ যাদৱে আৰু গয়া টাউন বিধানসভা সমষ্টিৰ পৰা মোহন শ্ৰীবাস্তাই প্ৰতিদ্বন্দ্বিতা কৰিব। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰে।

ooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া  ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি পাৰ্থত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত শুভমন গিলে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব। তেওঁক ৰোহিত শৰ্মাৰ স্থলাভিষিক্ত কৰা হৈছে। চলিত বৰ্ষৰ আৰম্ভণিতে ডুবাইত অনুষ্ঠিত আই চি চি চেম্পিয়নছ্ ট্ৰফীত জ্যেষ্ঠ তাৰকা খেলুৱৈ ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ প্ৰত্যাৰ্বতনত অনুৰাগীসকল উৎফুল্লিত হৈ পৰিছে।

উল্লেখযোগ্য যে, চেম্পিয়নছ্ ট্ৰফীৰ ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰিছিল।

ooooo

**সমাপ্ত**